# দুধনৈ কলেজৰ ছাত্ৰ নিকু কলিতাৰ নীৰৱ গ্ৰন্থ বিপ্লৱ



**আমাৰ খবৰ, দুধনৈ, ১০ নৱেম্বৰঃ** সমাজত জ্ঞানৰ পোহৰ বিলোৱাৰ উদ্দেশ্যে গোৱালপাৰা জিলাৰ বাকাইটাৰীৰ যুৱক তথা দুধনৈ মহাবিদ্যালয়ৰ স্নাতক তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ নিকু কলিতাই আৰম্ভ কৰিছে নিৰৱ গ্ৰন্থ বিপ্লৱ। নিকুৰ একক প্ৰচেষ্টাৰে নিজগৃহৰ এটা কোঠাত স্থাপন কৰিছে বিজ্ঞানসন্মত সুপৰিকল্পিত এটি পুথিভঁৰাল। এই পুথিভঁৰালটোৱে বৃহত্তৰ অঞ্চলটোৰ বিদ্বৎ মহলৰ পৰা জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। ২০১১ চনত শংকৰদেৱ শিশু নিকেতনৰ এজন আচাৰ্যৰ পৰামৰ্শ মতে পুথিভঁৰাল এটা খোলাৰ পৰিকল্পনা কৰা ছাত্ৰ নিকু কলিতাই পূৰেৰুণ পুথিভঁৰাল নাম দি অঞ্চলটোৰ বিশেষকৈ শিশু তথা আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক শৈক্ষিক দিশত আগুৱাই নিয়াৰ লগতে ভৱিষ্যতে প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত অৱতীৰ্ণ হোৱাৰ বাবে নিয়মীয়া পাঠ্যক্ৰমৰ লগতে বাহিৰা শিক্ষাৰ জ্ঞান প্ৰদানৰ উদ্দেশ্যে এটি পুথিভঁৰাল স্থাপনৰ সিদ্ধান্ত লয়। চলিত বৰ্ষত সমগ্ৰ বিশ্বজুৰি কৰ'না সংক্ৰমণ প্ৰতিৰোধৰ বাবে ঘোষণা কৰা লকডাউনৰ সুযোগত সকলোখিনি কিতাপ, বুক ছেল্ফ আৰু অন্যান্য আচবাব সুশৃংখলিত কৰি মুকলি মনেৰে কিতাপ পঢ়াৰ এক পৰিৱেশ গঢ়ি তোলাৰ বাবে চেষ্টা অব্যাহত ৰাখে। তেওঁৰ পুথিভঁৰালটোত অনুপ্ৰেৰণামূলক গ্ৰন্থ, কালজয়ী সাহিত্য, অনুসন্ধানমূলক উপন্যাস, সাধাৰণ জ্ঞান, বিজ্ঞানভিত্তিক সাহিত্য, অসমীয়া চুটিগল্প, উপন্যাস, প্ৰবন্ধ সংকলন, মাহেকীয়া আলোচনী সঁফুৰা, ৰংমন, মৌচাক, নতুন আৱিষ্কাৰ ও বাৰ-ওঠৰ, কেৰিয়াৰ গাইড, উইচডম, মুকুতা, বিজ্ঞান সুৰভি, জিএনআৰচি স্বাস্থ্য, ৰাজনীতি আৰু ইতিহাস বিষয়ক গ্ৰন্থ, শিশু তথা কিশোৰ উপন্যাস, আত্মজীৱনীকে ধৰি বিবিধ বিষয়ক গ্ৰন্থ সন্নিবিষ্ট কৰা বুলি জানিবলৈ দিয়ে। পৰিয়ালৰ লগতে দুই-এজন শুভাকাংক্ষীৰ অনুপ্ৰেৰণা আৰু সহযোগত পুথিভঁৰালটোক এটা সম্পূৰ্ণ পুথিভঁৰালৰূপে গঢ়ি তোলাৰ সপোন পুহি ৰখা বুলি জানিবলৈ দিয়ে বুৰঞ্জী বিভাগৰ ছাত্ৰ নিকু কলিতাই। ইতিমধ্যে সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ উপ-সভাপতি ধীৰেন শৰ্মা, গোৱালপাৰা জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতি পদ্ম শংকৰ চৌধুৰী, জিলা সম্পাদক প্ৰতাপ অধিকাৰী, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য দ্বিজেন নাথ, প্ৰাক্তন জিলা সভাপতি ৰমেশ সৰকাৰসহ গ্ৰাম্য পুথিভঁৰাল সন্থাৰ বিষয়ববীয়াসকলে পুথিভঁৰালটো পৰিদৰ্শন কৰি পঞ্জীয়নভুক্ত কৰাৰ বাবে যাৱতীয় ব্যৱস্থা হাতত লোৱাৰ লগতে সম্পূৰ্ণ একক প্ৰচেষ্টাৰে স্থাপন কৰা পুথিভঁৰালটোৱে বৃহত্তৰ অঞ্চলটোক বৌদ্ধিক দিশত আগুৱাই নিবলৈ সক্ষম হ'ব বুলি জানিবলৈ দিয়ে।